২) Akhtar, Parveen R. (2014). Enviornmental and Population Education, Guwahati : Assam Book Depot.

৩) Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

৪) Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.

৫) Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,

৬) Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.

৭) Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.

৮) Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.

১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা অধ্যয়নৰ ক্ষেত্রত পর্যবেক্ষণ পদ্ধতি হৈছে আটাইতকৈ জনপ্রিয় আৰু সৰল পদ্ধতি। ই হৈছে সমাজ বিজ্ঞানৰ গৱেষণা পদ্ধতি, যিয়ে প্রাকৃতিক পৰিৱেশত প্রত্যক্ষভাৱে নিৰীক্ষণ কৰে। ই হৈছে অধ্যয়নৰ এক পুৰণি পদ্ধতি যি বিভিন্ন সামাজিক সমস্যাৰ সৈতে জড়িত। এই পদ্ধতিত নিৰীক্ষকে নিজে সমস্যাৰ পৰিবেশ পর্যবেক্ষণ কৰি তথ্য সংগ্রহ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ জনসংখ্যা শিক্ষা অধ্যয়নৰ আত্ম অধ্যয়ন পদ্ধতিয়ে প্রশিক্ষক বা শিক্ষকৰ সহায় নোলোৱাকৈ অধ্যয়ন কৰে। এই পদ্ধতিত নিজ কার্যৰ বাবে ছাত্র-ছাত্রীসকল নিজে দায়ী। এই ক্ষেত্রত তেওঁলোকক কোনেও সহায় নকৰে। সেইবাবে এই পদ্ধতিটোক 'আত্ম শিক্ষণ' বুলি কোৱা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ আলোচনা পদ্ধতি হৈছে জনসংখ্যা শিক্ষাৰ এক গুৰুত্বপূর্ণ পদ্ধতি যিয়ে জনসংখ্যাৰ বিভিন্ন সমস্যাবোৰ উদ্‌ঘাটন কৰে। এই পদ্ধতিয়ে অধ্যয়ন আৰু প্রস্তুতি, বিষয়বস্তুৰ নির্বাচন আৰু সংগঠন, শিক্ষণ প্রক্রিয়াৰ ভাবধাৰাৰ বিকাশক অন্তর্ভুক্ত কৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ বক্তৃতা পদ্ধতিটো হৈছে জনসংখ্যা শিক্ষাৰ অন্য এক পদ্ধতি। ইয়াত মৌখিকভাৱে শিকোৱা হয়। শিক্ষাৰ উচ্চ পর্যায়ত শিক্ষকে প্রধানকৈ এই পদ্ধতিটো ব্যৱহাৰ কৰে। ছাত্র-ছাত্রীসকলক এই পদ্ধতিত প্রশ্ন সোধাৰ বাবে উৎসাহিত কৰা হয়। শিক্ষকে মেপ, চার্ট, আৰ্হি, ছবি ইত্যাদিবোৰ ব্যৱহাৰ কৰি বক্তৃতা পদ্ধতিৰে ছাত্র-

ছাত্রীসকলক অভিৰোচিত কৰি তুলিব লাগে। ভালদৰে প্ৰস্তুত কৰা আৰু উপস্থাপন কৰা বক্তৃতা পদ্ধতি ছাত্ৰ-ছাত্রীৰ বাবে অতি উপযোগী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকল্প পদ্ধতিৰ কিছুমান স্তৰ আছে, তলত সেইবোৰ দাঙি ধৰা হ'ল—

(১) **পৰিৱেশ প্ৰদান ঃ** শিক্ষকে এনে এটা পৰিৱেশ সৃষ্টি কৰিব লাগে যাতে ছাত্ৰ-ছাত্রীয়ে প্ৰকল্প সম্পাদন কৰাৰ বাবে চিন্তা কৰিব পাৰে।

(২) **প্ৰকল্প নিৰ্বাচন ঃ** ছাত্ৰ-ছাত্রীয়ে শিক্ষকৰ সহায়ত এটা প্ৰকল্প নিৰ্বাচন কৰিব লাগে। প্ৰকল্পটো সদায় বাস্তৱ জীৱনৰ সৈতে সম্পৰ্ক থকা হ'ব লাগে।

(৩) **পৰিকল্পনা ঃ** পৰৱৰ্তী স্তৰত ছাত্ৰ-ছাত্রীয়ে প্ৰকল্পটো কেনেদৰে কৰিব তাৰ বাবে এটা পৰিকল্পনা কৰি ল'ব লাগে। প্ৰকল্পটো কৰাৰ দায়িত্ব ছাত্ৰ-ছাত্রীৰ আগ্ৰহ অনুযায়ী ভগাই দিব লাগে। ভালদৰে প্ৰকল্পটো কৰিবলৈ সকলোৰে সহযোগিতাৰ প্ৰয়োজন।

(৪) **প্ৰকল্পৰ বাস্তৱ ৰূপদান ঃ** নিৰ্দেশক বা শিক্ষকৰ অধীনত ছাত্ৰ-ছাত্রীয়ে প্ৰকল্পটো সমাপ্ত কৰিব লাগে। প্ৰকল্পটো কৰাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্রীয়ে বিভিন্ন ধৰণৰ কাৰ্য সম্পাদন কৰিব লাগে। এনেধৰণৰ কাৰ্য কৰাৰ দ্বাৰা তেওঁলোকে শিকিব পাৰে। এইটো ব্যৱহাৰিক আৰু তেওঁলোকৰ বাবে উপযোগী।

(৫) **বিচাৰকৰণ আৰু মূল্যায়ন ঃ** প্ৰকল্পটো শেষ কৰাৰ পিছত ছাত্ৰ-ছাত্রীয়ে একেলগে বহি তাৰ মূল্যায়ন কৰিব লাগে।

(৬) **তথ্য সংৰক্ষণ ঃ** ছাত্ৰ-ছাত্রীয়ে প্ৰকল্পটো বাস্তৱ ৰূপ দিয়াৰ স্তৰসমূহ সংৰক্ষণ কৰি ৰাখিব লাগে। তেওঁলোকে একেবাৰে আৱশ্যণি পৰ্যায়ৰ পৰা শেষলৈ ইয়াক সংৰক্ষণ কৰি থ'ব লাগে। এইটো ভৱিষ্যতৰ বাবে যথেষ্ট উপযোগী।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকল্প পদ্ধতিৰ কিছুমান দুৰ্বলতা আছে। সেইবোৰ হৈছে—

(১) প্ৰকল্প পদ্ধতি খৰচী, ইয়াৰ বাবে বহুতো বস্তুৰ দৰকাৰ।

(২) দমনমূলক মনোভাবৰ ছাত্ৰ-ছাত্রীয়ে ইয়াত আনক সুবিধা ল'ব নিদিয়ে। সেই প্ৰত্যেকে উপযুক্তভাৱে অংশগ্ৰহণ কৰিব নোৱাৰে।

(৩) সফলতাৰে প্ৰকল্প শেষ কৰাৰ বাবে বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ প্ৰয়োজন। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অবিহনে প্ৰকল্পৰ লক্ষ্যত উপনীত হ'ব নোৱাৰি।

(৪) এই পদ্ধতিত শিক্ষকৰ কৰ্মবোজা অধিক, কাৰণ তেওঁ শিক্ষার্থীৰ ব্যক্তিগতভাৱে নিৰ্দেশনা দিব লাগে। প্ৰকল্পৰ প্ৰকৃত দায়িত্ব তেওঁ বহন কৰিব লাগে।

(৫) প্ৰকল্প পদ্ধতিত কোনো ব্যৱস্থাগত জ্ঞান প্ৰদান কৰা নহয়। কোনো বিষয়ৰ সমগ্ৰ পাঠ্যসূচী এই পদ্ধতিৰ দ্বাৰা প্ৰদান কৰিব নোৱাৰি।



১০.৭ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ আলোচনা পদ্ধতিৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ গৃহকৰ্ম পদ্ধতিৰ ভাগসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ পৰ্যবেক্ষণ পদ্ধতি কাক বোলে?

প্ৰশ্ন ৪ ঃ আত্ম অধ্যয়ন পদ্ধতিৰ সংজ্ঞা দিয়ক।

(খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ প্ৰকল্প পদ্ধতি কাক বোলে? এই পদ্ধতিৰ সবলতা আৰু দুৰ্বলতাসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বক্তৃতা পদ্ধতিৰ সবলতা আৰু দুৰ্বলতাসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ আলোচনা পদ্ধতিৰ কাৰকসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ক্ষেত্ৰ অধ্যয়ন পদ্ধতিৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৫ ঃ পৰ্যবেক্ষণৰ সুবিধা আৰু অসুবিধাসমূহ বৰ্ণনা কৰক।

*** ***** ***